# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-07-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***
***Headlines***

-----------------------

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে ধেমাজি জিলাৰ জোনাইৰ মুৰ্কংচেলেক উন্নয়ন খণ্ডৰ অধীনৰ মুৰ্কংচেলেক কৃষ্টিভৱন প্ৰেক্ষাগৃহতো কালি সম্পূৰ্ণতা অভিযান কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত অংকুৰ ভঁৰালী, নিটি আয়োগৰ জ্যেষ্ঠ পৰামৰ্শদাতা ড° ববিতা সিং, ধেমাজি আৰু চিলাপথাৰ পৌৰসভাৰ সভানেত্ৰী তথা জিলা প্ৰশাসন আৰু ব্লক পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ২৯ খন জিলাৰ প্ৰায় ২৪ লাখ লোক এতিয়াও বানৰ কবলত আছে। আনহাতে, বিগত ২৪ ঘণ্টাত আৰু ৬ জন লোকে প্ৰাণ হেৰুৱাৰ ফলত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৮ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনৰ ১০৭টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ৫০০ খনৰো অধিক গাঁও বানত প্লাৱিত হৈছে আৰু ৬৮ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি নষ্ট হৈছে। এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে বিগত ২৪ ঘণ্টাত বিভিন্ন প্ৰান্তৰ ২১৮ জন লোকক উদ্ধাৰ কৰিছে। কেন্দ্ৰীয় জল আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি নিমাতিঘাট, তেজপুৰ, ধুবুৰী আৰু ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰ বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে আন কেইবাখনো নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে। শেহতীয়া বানে বিগত ২৪ ঘণ্টাত ১৭৬টা পথ আৰু দুখন দলঙৰ লগতে আন বহুতো আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত কৰিছে। এই বানত ১৫ লাখৰো অধিক জীৱ-জন্তু ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্য চৰকাৰে ইতিমধ্যে বিভিন্ন প্ৰান্তত ২৯৩ টা সাহায্য শিবিৰ আৰু ২৮৪টা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। ইপিনে বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনত অহা ২৪ ঘণ্টাত ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ পলাশবাৰীত বান পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ লগতে ক্ষতিগ্ৰস্ত ৰাইজৰ সৈতে মত বিনিময় কৰে। তেওঁ কেইবাটাও সাহায্য শিবিৰত উপস্থিত হৈ শিবিৰত থকা লোকসকলৰ অভাৱ অভিযোগৰ বুজ লয়। তেওঁ বাসগৃহৰ ক্ষতি হোৱা লোকসকলক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নতুন গৃহ প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি দৰং জিলা ভ্ৰমণ কৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ সামগ্ৰিক বান পৰিস্থিতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। তেওঁ ১ নম্বৰ গেৰীমাৰী অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে সাংসদ দিলীপ শইকীয়া, জিলাখনৰ বিধায়কসকল আৰু বিভিন্ন বিভাগৰ মুৰব্বীৰ পৰা জিলাখনৰ বান পৰিস্থিতিৰ বুজ লৈ বিভাগসমূহে অব্যাহত ৰখা কাম-কাজ পৰ্যালোচনা কৰে। তদুপৰি দৰং জিলাৰ বান প্ৰতিৰোধী ব্যৱস্থাটো শক্তিশালী কৰাৰ বাবে জিলাখনত মুঠ ২৬ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণৰ প্ৰস্তাৱ আজি বৈঠকত গ্ৰহণ কৰা হয়। এই অনুসৰি ডিমলা নৈৰ দুয়োপাৰে ১০ কিলোমিটাৰকৈ ঘাগ্ৰা নৈক সংযোগ কৰি মুঠ ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ আৰু চেৰেঙৰ পৰা ৰঙামাটি-কুৰুৱা পৰ্যন্ত ব্ৰহ্মপুত্ৰৰ পাৰত ৬ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰা হ'ব। এই মথাউৰিয়ে অসম দক্ষতা বিশ্ববিদ্যালয়ৰ চৌহদ আৰু প্ৰস্তাৱিত দৰং চিকিৎসা মহাবিদ্যালয়ৰ স্থান সুৰক্ষিত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে আজি চৰাইদেউ জিলাত বানত নিহত সঞ্জীৱ ধুবীৰ পৰিয়ালক চেকযোগে চাৰি লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰে। উল্লেখযোগ্য যে খোকামৰা লাওজান গাঁৱৰ নিবাসী সঞ্জীৱ ধুবীয়ে যোৱা ১৬ জুলাইত বাঢ়নী পানীত পৰি প্ৰাণ হেৰুৱাইছিল।

একেদৰে কৃষি মন্ত্ৰী অতুল বৰাই বোকাখাটত বানত প্ৰাণ হেৰুওৱা পাপলু দাস আৰু লাহন মহালিৰ পৰিয়ালক সাক্ষাৎ কৰি চৰকাৰৰ তৰফৰ পৰা এককালীন আৰ্থিক সাহায্যৰ অনুমোদন পত্ৰ প্ৰদান কৰে।

০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ চলিত পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেল আজি জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত হৈছে। ভাৰতে টছত জয়ী হৈ প্ৰথমে বেটিঙৰ সিদ্ধান্ত গ্ৰহণ কৰে। বাতৰি লিখা পৰ্যন্ত ভাৰতে ১৮ অভাৰত দুটা উইকেট হেৰুৱাই ১৯৭ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০০০

সমাপ্ত